কৰ'না, গৃহবন্দী আৰু ইয়াৰ সামাজিক প্ৰভাৱ

গৃহবন্দী (Lock-down) অকল এটা স্বাস্থ্যজনিত সমস্যা নহয়, ই মানুহৰ আৰ্থ-সামাজিক, ব্যক্তি স্বাধীনতা, অধিকাৰ, জীৱন-ধাৰণ, পেছা, নিচা অন্তৰাত্মাত প্ৰভাৱ পেলায়। ভৌগোলিক স্থান, পৰিৱেশভেদে ইয়াৰ প্ৰভাৱ বেলেগ হ'ব পাৰে। গুৱাহাটীৰ মানুহৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ ডিব্ৰুগড়ৰ বাসিন্দাতকৈ বেলেগ হ'ব পাৰে। সি সামাজিক গাঁথনি আৰু স্থানীয় পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰে। চহৰৰ তুলনাত গাঁৱৰ গৃহবন্দী নিঃসন্দেহে বেলেগ হ'ব। অন্ততঃ গৰু-ছাগলী এৰাল দিবলৈ মানুহ পথাৰলৈ ওলাব লাগিব, তেওঁলোকৰ কাৰণে চৌহদৰ পৰিসীমা পথাৰখন ...

যোৱা বছৰৰ শেষবফালে এক অচিন অজ্ঞাত কাৰকৰ নিউমনিয়াই চীন দেশৰ হুবান প্ৰদেশক হানি ধৰিলে। উপায়হীন হৈ তেওঁলোকে কথাটো ৩১ ডিচেম্বৰত বিশ্ব স্বাস্থ্য সংস্থাক (WHO) জনালে। ২০২০ চনৰ জানুৱাৰীৰ ৩০ তাৰিখে ইয়াক জৰুৰী স্বাস্থ্যৰ বিষয় বুলি ঘোষণা কৰিলে। ১১ ফেব্ৰুৱাৰীত বিশ্ব স্বাস্থ্য সংস্থাই এই ন'ভেল কৰ'না ভাইৰাছৰ সংহাৰী ৰূপ অনুধাৰন কৰি ক'ভিড-১৯ (COVID-19) বুলি নামকৰণ কৰিলে আৰু ইয়াৰ সংক্ৰমণৰ ভয়াহহতাৰ প্ৰতি লক্ষ্য ৰাখি তাক সৰ্বব্যাপী মহামাৰী বা বিশ্বজোৰা মহামাৰী (Pandemic) হিচাপে ঘোষণা কৰিলে।

পৰিসংখ্যাৰ ফালৰপৰা ২৪ মাৰ্চলৈ সমগ্ৰ বিশ্বত ৩ লাখ ৯৮ হাজাৰ আঠশ চৌত্ৰিছজন লোক কৰ'নাত আক্ৰান্ত হৈছে। ১৭,২৬০জনৰ মৃত্যু হৈছে। ভাৰতত ৫১৯জন লোক আক্ৰান্ত হৈছে, তাৰে ১০জনৰ মৃত্যু হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত প্ৰথম ক'ভিড-১৯ ঘোষটো মণিপুৰত ধৰা পৰিছে।

সময় এতিয়া সঠাকৈয়ে দুঃসময় হৈ পৰিছে। কৰ'নাকালী মহাকালে সকলোকে এফালৰপৰা সংহাৰী গৈছে। সীমাৰ পৰিধি ভাঙি সি এখনৰপৰা অন্যখন দেশলৈ কনজুইৰ দৰে বিয়পি পৰিছে, ধনী-দুখীয়া, উচ্চ-নীচ, জাতি-ধৰ্ম, পুৰুষ-মহিলা, আবাল-বৃদ্ধ-বনিতা সকলোকে সামৰি সি তাৰ সংহাৰী হাতোৰা মেলি দিছে। সমগ্ৰ বিশ্বৰ স্বাস্থ্যকৰ্মীসকলে ইয়াক প্ৰতিৰোধ কৰিবলৈ অহৰ্নিশ চেষ্টা চলাইছে। ইয়াৰ অকাশলংঘী গতিক মাটিলৈ নমাই আনিবলৈ প্ৰচেষ্টাৰ ত্ৰুটি কৰা নাই। নিৰ্মূল কৰিব নোৱাৰিলেও অন্ততঃ তাৰ ক্ষিপ্ৰ গতিক স্পীডবেকাৰেৰে প্ৰতিৰোধ কৰি তাক নিয়ন্ত্ৰণলৈ আনিবলৈ প্ৰয়াস কৰিছে।

হিহেতুকে কৰ'না ভাইৰাছৰ আজিলৈকে নিৰ্দিষ্ট নিৰ্মূলকাৰক চিকিৎসা বা প্ৰতিষেধক ছিটা নাই, ইয়াৰপৰা আঁতৰি থকাটোৱেই ইয়াৰ সৰ্বোত্তম চিকিৎসা। ইয়াক প্ৰতিৰোধ কৰিবলৈ উদ্যম হ'ল সাৱধানতা আৰু সতৰ্কতা। নিজে সুস্থ হৈ থকি আনকো সুস্থ কৰি ৰখা। পৰোক্ষভাৱে নিজৰ পৰিয়াল, সমাজখনৰ লগতে দেশখনকো সুস্থ কৰি ৰখা।

এই সতৰ্কতাৰ প্ৰথম পদক্ষেপ ব্যক্তিগত চাফ-চিকুণতা আৰু নিৰ্মাপতা, (উদাহৰণ চাবোনপানীৰে হাত ধোৱা, এলকহলযুক্ত ছেনিটাইজাৰেৰে ২০ ছেকেণ্ড হাত মচা)। দ্বিতীয় পদক্ষেপ হ'ল সামুহিক, সামাজিক— যাক নৈকটহীন স্থিতাবস্থা (Social distancing) বুলি ক'ব পাৰি— ইজনে সিজনৰ মুখামুখিকৈ বা গাত গা লাগি থাকিব নালাগে, কমেও এক মিটাৰ আঁতৰত থাকিব লাগে, কাহ-হাঁচি মাৰিলে মুখত মাস্ক বা ৰুমাল লৈ মাৰিব লাগে। ইয়ে অকল কৰ'না ছোৱাত বাধা দিয়াই নহয় তাৰ ফলত হোৱা মৃত্যুৰ সংখ্যাও প্ৰতিৰোধ কৰে। তৃতীয় পদক্ষেপ হ'ল— ভ্ৰমণৰ সীমাবদ্ধতা। প্ৰবাস বা বিদেশৰপৰা ভ্ৰমণকাৰীসকলক ক্বাঁনিং কৰা, সম্ভাব্য কৰ'নাৰ লক্ষণ পালে তেওঁক কোৱাৰেন্টাইন সময়ৰ কাৰণে আচুতীয়াকৈ নিৰীক্ষণ কৰা। সামগ্ৰিকভাৱে ছিপ্ৰ বাতিল, ৰেল'ৱে ষ্টেচন, বিমানসন্দৰত যাত্ৰীৰ ক্বাঁনিং ইত্যাদি এই প্ৰতিৰোধৰ ভিতৰত পৰে।

কিন্তু মহামাৰীৰ ভয়াবহতা, সংক্ৰমতা, সংহাৰী ৰূপ দেখি উচ্চ প্ৰতিৰোধ ব্যৱস্থাবোৰ পৰ্যাপ্ত নোহোৱা যেন অনুভৱ কৰিলে, জনতাৰ কল্যাণৰ কাৰণে ৰাষ্ট্ৰসমূহে শেষ উপায় হিচাপে জনস্বাস্থ্যৰ কাৰণে এখন ৰাজ্য বা সমগ্ৰ দেশ Lock-down অৰ্থাৎ তালাবন্ধ বা মানুহক নিজৰ ঘৰতে থাকিবলৈ অৰ্থাৎ গৃহবন্দী হ'বলৈ অনুৰোধ কৰিব পাৰে। বিশ্বৰ বহুতো উন্নয়নশীল দেশে শেষ উপায় হিচাপে ইয়াক অৱলম্বন কৰিছে। কৰ'নাৰ জন্মস্থান চীন দেশে ইয়াৰ সুফল পাইছে।

সমগ্ৰ ভাৰতবৰ্ষৰ লগতে উচ্চ আঁহিবোৰ পন্থা অসমতো লোৱা হৈছে। জনস্বাস্থ্যৰ প্ৰতি অহা ভাবুকিৰ মোকাবিলা কৰিবলৈ অসমত ২৪ মাৰ্চৰ গধূলি ছয় বজাৰপৰা ৩১ মাৰ্চৰ ভোজাগ নিশালৈ অত্যাৱশ্যকীয় সেৱাক বাদ দি সমগ্ৰ অসমত Lock-down ঘোষণা কৰিছে। অসমৰ মানুহে অদূৰভৱিষ্যৎ গৃহবন্দীৰ দুখণ্ডী সময় কটোৱাৰ লগে লগে মাননীয় প্ৰধান মন্ত্ৰীয়ে সমগ্ৰ দেশক কৰযোৰে প্ৰাৰ্থনা জনাই কৈছে ২১ বছৰ পিছ ওঁহকি নাযাবলৈ আৰু ইয়াৰ বাবে ২১ দিন সকলোকে ঘৰৰ চৌহদৰ ভিতৰতে থাকিবলৈ অনুৰোধ কৰিছে। অৰ্থাৎ দেশৰ মংগলৰ কাৰণে, নিজৰ পৰিয়ালৰ সুস্বাস্থ্যৰ কাৰণে যেন সকলোৱে তিনি সপ্তাহ, অৰ্থাৎ ১৪ এপ্ৰিললৈকে ঘৰতে গৃহবন্দী হৈ থাকে।

গৃহবন্দীৰ যুক্তি, বিশেষজ্ঞসকলৰ মতে, প্ৰতি কৰ'নাত আক্ৰান্ত হোৱা লোকে সতৰ্কতা বা সাৱধানতা অৱলম্বন নকৰিলে নিজৰ অজ্ঞাতে ৩,৬০০ জন ব্যক্তিক সংক্ৰমিত কৰিব পাৰে। অসমকে ধৰি ভাৰতবৰ্ষত কৰ'না ভাইৰাছৰ সংক্ৰমণ বৰ্তমান প্ৰথম পৰ্যায়ত আছে। ই তৃতীয় বা চতুৰ্থ পৰ্যায় পালে আমাৰ দেশৰ অৱস্থা চীন, ইটালী, স্পেইনৰ নিচিনা হোৱাৰ প্ৰবল সম্ভাৱনা আছে আৰু তাক প্ৰতিৰোধ কৰাৰ ক্ষমতা আমাৰ দেশৰ নাই। সেয়েহে এই সতৰ্কতা, সাৱধানতা। আমি নিজে সজাগ, সাৱধান হৈ নাথাকিলে আমাক কোনেও বচাব নোৱাৰে।

এতিয়া মূল কথালৈ আহোঁ, আমাৰ অসমৰপৰা মোক সোধা হৈছিল— গৃহবন্দীৰ ফলত আমাৰ সামাজিক অৱস্থা কি হ'ব? তেখেতসকলে মোক দুই মিনিট সময় দিলে। মই প্ৰশ্নটো ভুল হোৱা বুলি পূৰণ সুধি নিশ্চিত হ'লোঁ— হয়, তেখেতসকলে মানসিক অৱস্থাৰ কথা সোধা নাই, সামাজিক স্থিতি, অৱস্থাৰ কথা সুধিছে। মই সমাজবিজ্ঞানী নহয়— সময় ল'লোঁ। ওঠৰ ঘণ্টা পাৰ হৈ যোৱাৰ পাছতো নিজেই দোমোজাত থাকিলোঁ— গোটেই পৰিঘটনাটো মোৰ কাৰণেও নতুন, মই অনভিজ্ঞ, কেতিয়াবা ঘটিব বুলি ভাবও নাই। সপোনো দেখা নাই। তেতিয়াই এই বিষয়ে স্বপ্নদ্ৰষ্টা

■ ডাঃ সুৰেশ চক্ৰবৰ্তী

এখন চিনেমাৰ নাম মনত পৰিল। ২০১১ চনৰ ৯ ছেপ্টেম্বৰত ই মুক্তি পাইছিল। তেতিয়া ই সিমান বিখ্যাত হোৱা নাছিল যদিও যোৱা চাৰি মাহে পৃথিৱীৰ সকলো মানুহৰ মুখে মুখে ইয়াৰ নাম। পৰিচালক,

Steven Soderberghৰ অধুনা বহুচৰ্চিত চিনেমাখন হ'ল CONTAGION। চিনেমাখনৰ এটা কথোপকথন মোৰ তেনেই প্ৰাসংগিক যেন লাগিল—

: "Do you know what it feels like?"

: "What, like it's Godzilla, Kingkan, allien attack, all in one?"

: "Kind of.... feel like our world is never going to be same..."

মঞ্চে দোমোজাত। মোৰ অসমখন, মোৰ দেশখন, আমাৰ বিশ্বখন এই মহামাৰীৰ পাছত একে থাকিবনে? কৰ'নাৰ প্ৰলয়ৰ পাছত আমাৰ সামাজিক স্থিতি কি হ'ব? এই গৃহবন্দী কিমানদিন চলিব, সন্যহতে ২১ দিন, তাৰ পাছত? কোনেও নাজানে। অকল সময়ে ক'ব পাৰিব। সকলোৱে অনভিজ্ঞ, এই নতুন পৃথিৱীখনত আমি কেনেকৈ চলিম?

গৃহবন্দী (Lock-down) অকল এটা স্বাস্থ্যজনিত সমস্যা নহয়, ই মানুহৰ আৰ্থ-সামাজিক, ব্যক্তি স্বাধীনতা, অধিকাৰ, জীৱন-ধাৰণ, পেছা, নিচা অন্তৰাত্মাত প্ৰভাৱ পেলায়। ভৌগোলিক স্থান, পৰিৱেশভেদে ইয়াৰ প্ৰভাৱ বেলেগ হ'ব পাৰে। গুৱাহাটীৰ মানুহৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ ডিব্ৰুগড়ৰ বাসিন্দাতকৈ বেলেগ হ'ব পাৰে। সি সামাজিক গাঁথনি আৰু স্থানীয় পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰে। চহৰৰ তুলনাত গাঁৱৰ গৃহবন্দী নিঃসন্দেহে বেলেগ হ'ব। অন্ততঃ গৰু-ছাগলী এৰাল দিবলৈ মানুহ পথাৰলৈ ওলাব লাগিব, তেওঁলোকৰ কাৰণে চৌহদৰ পৰিসীমা পথাৰখন।

পুৱা উঠাৰপৰা আৰম্ভ কৰোঁ— ধৰি লওক গুৱাহাটীৰ জীৱন। চাহকাপ হাতত লৈ আমি পেপাৰখন হাতত লওঁ, পেপাৰ নাই। পাৰ্ট টাইম কাম কৰা মানুহগৰাকী আহিব নোৱাৰে। প্ৰথম পাঁচ দিন আমি ভাবিছিলোঁ পাঁচ দিন কিবাকৈ চলি যাব, এতিয়া ত সপ্তাহ— ২১ দিন। ঘৰখন কেনেকৈ চলিব! আগতে পুৱা সাত বজাৰপৰা জীৱন আৰম্ভ হয়— ল'ৰা-ছোৱালীৰ স্কুল-কলেজ, পিতৃ-মাতৃৰ অফিচ-ঘৰৰ কাম। দহ বজাত কামবোৰ মোটামুটি শুখল, নিজৰ আয়ত্তলৈ আহে। এতিয়া ল'ৰা-ছোৱালীৰ স্কুল-কলেজ নাই, সিহঁতক বাৰে বাৰে জগাব লাগিব। উটো উটোকৈ দেৰি কৰি থাকিব। পেপাৰখন চাব নাপাৰি গৃহস্থই হামিয়াহি-হিঁকটিয়াই থাকিব? গৃহিণীয়ে কাম কৰা মহিলাগৰাকীৰ কাম নিজে সামৰিব লাগিব? তাৰ মাজতে ল'ৰা-ছোৱালী উঠিব। সিহঁতৰ চাহ-জলপান। গৃহস্থ ঘৰত থকা মানে নতুন কাম— সময়ে সময়ে চাহ-পানীৰ যোগান। তাৰ পাছত দুপৰীয়াৰ ভাত। যাবলৈ ক'তো নাই, কৰিবলৈ একো নাই। পত্নীয়ে হামিয়াহি-হিঁকটিয়াই বহি থকা স্বামীক যদি কয়— 'এনেকৈ বহি থকাতকৈ বিছনাখনকে পাৰাচোন।' পিতৃস্থাত গৃহস্থৰ মুখ গুফন্দি উঠিব। মুখেৰে ভোবভোবাব— 'ক'ৰ এই কৰ'নাটো আহিল।' অফিচ থাকিলেই ভাল আছিল, অন্ততঃ আঠ-দহ ঘণ্টা শান্তিত আছিলোঁ।' আৱশ্যকীয় কাৰণে এইখিনিয়েই যথেষ্ট। দিন যোৱাৰ লগে লগে কোনোদিন একেবাৰে ইমান দিনলৈ চকিশ ঘণ্টা মুখামুখিকৈ নথকা স্বামী-স্ত্ৰীয়ে ইটোৱে সিটোৰ দোষ-গুণ খুঁচিব। অসুখৰত আজৰি পৰত কৰিব লগা একো নাই কাৰণে ছ'চিয়েল মিডিয়াত নিমগ্ন হ'ব। হ'ব পাৰে, সন্তাৱনা আছে— সেইখিনি সময়ত এজনে আনজনৰ ৱাটছএপ, ফেচবুকত চকু দিব, কাৰোবাৰ প্ৰাধান্য দেখিব? ফেমিলী ক'ট পাৰলৈ সেইখিনিয়েই যথেষ্ট। চীনত হ'বলৈ ধৰিছে বুলি খবৰ আহিছে।

কিন্তু এটা কথা নিশ্চিত যে অসমৰ শিক্ষাজগতত চকৰাবী অফিচত ই এক সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। বৈদ্যুতিন আৰু দূৰসংযোগ মাধ্যমে শিক্ষা আৰু চকৰাবী কামত অদূৰ ভৱিষ্যতে এক উল্লেখনীয় ভূমিকা পালন কৰিব। বহুজাতিক কোম্পানী, কপ'ৰেট হাউছবোৰে ইতিমধ্যে প্ৰচলিত কৰা 'Work from Home' কৰ্ম-পদ্ধতিটো চকৰাবী কৰ্ম-পদ্ধতিতো আহিবলৈ বাধ্য হ'ব? স্কুল-কলেজত "Study from Home" শিক্ষা পদ্ধতি আহিব, যদিহে এই গৃহবন্দী দীৰ্ঘস্থায়ী হয়। কাৰণ এনাহ-দুমাহৰ ক্ষতি হ'লে ভৱিষ্যৎ প্ৰজন্মক এবছৰ পিছুৱাই দিব নোৱাৰিব। আই আই টি বা তেনে পৰ্যায়ৰ ইউনিভাৰ্ছিটীবোৰে ইতিমধ্যে আৰম্ভ কৰিছে। তেতিয়া আৰু আপুনি আপোনাৰ ল'ৰা-ছোৱালীক পুৱা সাত বজাত জগাই ছলছুল কৰিব নালাগে। সিহঁতে নিজৰ মতে উঠিব। এছাইন মৈমৰকখিনি আপোনমতে কৰিব। বাকী সময়ত নিজৰ মতে নিজৰ পৃথিৱীত নিৰ্জন দ্বীপৰ বাসিন্দা হৈ থাকিব।

গৃহবন্দিত্বৰ চকুত নপৰা, সচৰাচৰ নভবা বা এতিয়ালৈ বেছিভাগেই আলোচনালৈ নন্যা বিষয় হৈছে নিসংগতা? কালিলৈ চকিশ ঘণ্টা ৰাস্তু থকা মানুহজন, বৈষয়িক সামগ্ৰীত আনন্দ বিচাৰি থকা মানুহজন গৃহবন্দীৰ কবলত ঘৰতে নিসংগ হ'ব লগা হৈছে, নিজৰ ইচ্ছাৰ বিৰুদ্ধে বন্দীৰ দৰে থাকিব লগা হৈছে, তেওঁ কোনোদিনে উপলব্ধি নকৰা বিজতা বা শূন্যতা অনুভৱ কৰিব ধৰিছে। এই শূন্যতাই কৰ'নাৰ প্ৰতি এক বিদ্বেষ ভাব আনিছে, তেওঁ অন্তৰবপৰা তাক শাওপাত দিছে, তেওঁৰ খং উঠিছে, একো কৰিব নোৱাৰি তেওঁ উবহৰ খং ভগা ঢাঁবিত পুৰোৱাৰ দৰে নিজৰ খঙৰপৰা মুক্তি পাবলৈ সহজলভ্য পন্থা বিচাৰি ফৈছে— বেছিকৈ বিড়ি-চিগাৰেটত ধৰিছে, মদাসক্ত হৈছে। ইয়ে জাতিটোক আন এক দুৰ্যোগলৈ নিয়াৰ আশংকা আছে। কিন্তু তাতোকৈ ভয়াবহ অৱস্থা হবতো হ'ব পাৰে— গাঁৱে এনেয়ে ব্যস্ততাৰ কাৰণেই হওক, ভাল নোপোৱা কাৰণেই হওক ইতিমধ্যে অসামাজিক একক ব্যক্তিলৈ পৰিৱৰ্তন হৈছোঁ। দীৰ্ঘদিনৰ গৃহ-বন্দিত্বই আমাৰ বাকী থকাকালো একেবাৰে নোহোৱা কৰি দিব নেকি? কাৰোবাৰ ল'তে কুশল বিনিময় কৰা আমাৰ সামাজিক চৰিত্ৰটো একেবাৰে নাইকিয়া কৰি দিব নেকি? আমি কৰ'নাৰ এই সাৱধানতাখিনি পিছলৈ স্বভাৱলৈ পৰিবৰ্তন কৰিম নেকি? খুব সহজে মোৰ মনলৈ অহা ভাবটো হ'ল— ১৪ এপ্ৰিলত আমাৰ গৃহ-বন্দিত্বৰ অন্ত পৰিব। সিদিনা কাকতালীয়ভাবে আমাৰ বাপতিসাহোন বিষতো পৰিছে। আমি ডাঙৰৰ ভৰি চুই সেৱা লওঁতে বা জ্যেষ্ঠজনে আমাৰ মূৰ চুই আশীৰ্বাদ দিওঁতে এই ভাবটো আহিবনে? তেওঁ তেওঁৰ আগবঢ়াই অনা হাতখন কোঁচাই দিবনে? আমাৰ প্ৰিয়, জ্যেষ্ঠজনৰ আশীৰ্বাদৰ হাতখন এক সামাজিক টোবু বা ষ্টিগ্মা হ'ব নেকি?

আজিৰ দিনটোলৈ কৰ'না ভাইৰাছৰ ৰোগীক পৰিচৰ্যা কৰিবলৈ গৈ চীনৰ প্ৰথম ডাক্তৰজনকে ধৰি সমগ্ৰ বিশ্বৰ ভালেমান ডাক্তৰ, নাৰ্ছ, স্বাস্থ্যকৰ্মীয়ে নিজৰ জীৱন আহুতি দিছে। একপ্ৰকাৰ শহীদ হৈছে। নিজৰ আত্মীয়তি হাত ৰোগীৰ গাৰ্লে প্ৰসাৰিত কৰোঁতে তেওঁলোকে নিজে আক্ৰান্ত হৈছে। এতিয়া বিশ্বজুৰি এনেকুৱা চিন্তা-চৰ্চা আহিছে— ভৱিষ্যতে হয়তো ডাক্তৰ-ৰোগীৰ চিৰন্তন পাৰস্পৰিক সম্পৰ্কটো নাথাকিব। ডাক্তৰ, ছিষ্টাৰে আলফুলে ৰোগীৰ হাতখন হাতত লৈ পালছ, ব্লাড পেছাৰ নাচাব, তাৰ ঠাই কম্পিউটাৰ, ৰ'বটে ল'ব। উন্নয়নশীল দেশত তাৰ প্ৰাথমিক পৰীক্ষা আৰম্ভ হৈ গৈছে।

কিন্তু এই আঁহিবোৰ মানৱ জাতিৰ, আমাৰ দেশৰ, ৰাজ্যৰ, সমাজৰ, পৰিয়ালৰ, আমাৰ নিজৰ ভালৰ কাৰণে কৰা হৈছে। তাৰ বাহিৰে আমাৰ হাতত আন বিকল্প নাই। ই সময়ৰ আহ্বান। আমি সকলোৱে আমাৰ ল'ৰা-ছোৱালীৰ কাৰণে, নিশ্চিত ভৱিষ্যতৰ কাৰণে ইয়াত সহযোগ কৰিব লাগে। এই দুৰ্দিন দুঃসময়ক সুদিন বা সুসময়লৈ পৰিৱৰ্তন কৰিব পৰাটোৱেই আমাৰ এই মুহূৰ্তত সকলোৰে লক্ষ্য হোৱা উচিত। কেনেকৈ কৰিব— যিবিলাকে ইমান দিন কৰ্মব্যস্ততাৰ কাৰণে নিজৰ আপোনজনৰ ঘৰত ভৰি দিবপৰা নাই, ফোন কৰিবলৈকো সময় পোৱা নাই, তেওঁলোকে ফোনটো উলিয়াই লৈ কথা পাতক। কৰ'নাৰ কথা নাপাতিব। তাৰ বাহিৰে সকলো কথা— ল'ৰা-ছোৱালী, নাতি-পুতিলৈ। আঁচায়ে একেলগে বহি চাহ-ভাত খোৱা অভ্যাস কৰক। যিমানদূৰ পাৰি উৰাবাতৰি বা ব্ৰেকিং নিউজ নাচাব, ল'ৰা বা ছোৱালীকো নেদেখাব। প্ৰত্যেকে নিজৰ ভাল লগা কাম বিচাৰি লওক। বা নতুন কামো হাতত ল'ব পাৰে— যেনে এইকেইদিন ছেলুনবোৰ বন্ধ হৈছে— গতিকে আপুনি আপোনাৰ কিশোৰ, কিশোৰীবাৰাকীৰ চুলিখিনি নিজে কটাৰ পৰিকল্পনা কৰিব পাৰে— হওকনা খলা-মমা, সম্মুখত ২১ দিন আছে, ই তেতিয়ালৈ ঠিক হৈ যাব। গৃহিণীসকলে ইমানদিনে ভাবি থকা আঞ্জা এখন ৰান্ধিব পাৰে। কিশোৰীজনীক যোগাৰ কৰি দিবলৈ ক'ব পাৰে। মাকে এইকেইদিন ছোৱালীজনীক ভাত- দাইল ৰন্ধাৰ প্ৰশিক্ষণ দিব পাৰে। ইয়ে পৰিয়ালৰ বান্ধোনটো দৃঢ় কৰিব, কাম কৰাৰ আনন্দ দিব।

সৃজনীমূলক কামত হাত থকা ব্যক্তিয়ে এই সময়খিনি আটাইতকৈ সফলভাৱে ব্যৱহাৰ কৰিব পাৰে। নিজৰ আধৰুৱা গল্প-কবিতা, প্ৰবন্ধ, উপন্যাসৰ কাম আগবঢ়াই থ'ব পাৰে। আধৰুৱা পেইন্টিংখন সম্পূৰ্ণ কৰিব পাৰে। আজলৈ পৰ কটাবলৈ নিজৰ পুথিভঁৰালত সঁচি ৰখা কিতাপ উলিয়াই ল'ব পাৰে। দুঃসময়ত পঢ়িলে লাভ হোৱা, এই মুহূৰ্তত মোৰ মনলৈ অহা তিনিখন কিতাপ হ'ল- Robin Sarmaৰ The Monk who sold his Ferrari, Victor Franklৰ Man's search for Meaning আৰু শ্ৰীমদ্ভাগৱত গীতা যথাযথ, অসমীয়া অনুবাদ ড' মুকুন্দ মাধৱ শৰ্মা।

ভগৱানে মহামাৰীৰ সময়ত মানুহক এক আচৰিত শক্তি দিছে— যদি সকলোৱে মাৰবাছি, একলোট হৈ একেলগে কাম কৰে, ইজনে সিজনৰ প্ৰতি যত্ন লয়, তেতিয়া অতুল শক্তিৰ গুৰুত্বলৈ সক্ষম হয়। সময় এতিয়া সংকটময়। সংকটৰ সময়ত আমি এতিয়া সকলোৱে এই সিদ্ধান্ত লওঁ— আহক, আমাৰ সকলোৰে মা-পিতা, ভাই-ভনী, ল'ৰা-ছোৱালী আছে, তেওঁলোকৰ কথা, নিৰাপত্তাৰ কথা ভাবি আমি সজাগ, সচেতন হওঁ, নিজৰ লগতে, দহৰ-দেশৰ উপকাৰ কৰোঁ। আমি ঘৰতে থাকোঁ।

(লেখক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মানসিক ৰোগ চিকিৎসক)
ফোন : ৯৮৬৪০-১৫৭৫৭



মানুহে মানুহৰ বাবে

ভাৰতৰ ৮২.৭৩ শতাংশ লোক অসংগঠিত ব্যৱসায়ৰ লগত জড়িত। ইয়াতে আকৌ ১২ শতাংশ ব্যৱসায়ীৰ দিনত কামলৈ নগ'লে ৰাতিৰ সঁজ নিশ্চিত নহয়।

ব্যৱসায়-বাণিজ্য, কৰ্মহুলী বন্ধ হৈ পৰা এনে সমাজত সমাজৰ ধনী শ্ৰেণীয়ে দেশ এই ১২ শতাংশ লোকৰ সংকটকালত তেওঁলোকৰ প্ৰতি যদি অলপ সহায়-সহানুভূতি দেখেৱুৱায়, তেনেহ'লে মহামাৰীওঁকে ভোকত বেছি মানুহ মৰিব।

এনে সমাজত যদি জয় ধৰা টকাৰে আমি ন্যূনতম নৈতিকতাবোধ প্ৰদৰ্শন নকৰি মোনা ভবাই বজাৰ কৰি ঘৰলৈ লৈ আহে, তেনেহ'লে বহুতে ন্যূনতম প্ৰয়োজনীয়তাবিনাও বজাৰত মাথণা। জনজীৱন স্তব্ধ হৈ পৰা এনে সময়ত আমি সকলোৱে আমাৰ চুবুৰিৰ দিনহাজিৰাৰ লগত জড়িত লোকসকলৰ ঘোৰা-ঘোৰাৰ নিশাটোত অলপ চকু দি সমাজৰ প্ৰতি থকা নৈতিকতাটোৰ পালনেৰে মানৱীয় দায়িত্বৰ আমাৰ দিব লাগিব। দেশৰ এনে সংকটকালত আমাৰ এটাই পণ হ'ব লাগে যে দুদিনমান কাম খাম, সকলোৱে খাম।

আনহাতে, জৰুৰীকালীন এনে পৰিস্থিতিত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰতিটো সিদ্ধান্তক সহযোগ কৰাৰ লগতে প্ৰতিটো নীতি-নিৰ্দেশনা সমাজৰ সকলো স্তৰৰ লোকৰ মাজত প্ৰচাৰ কৰিব লাগিব।

সময়ত সজাগ নোহোৱা বাবেই আমেৰিকা, ইটালী, স্পেইনৰ দৰে প্ৰযুক্তিবিদ্যাৰে সমৃদ্ধিশালী দেশ এই ক'ভিড-১৯ ভাইৰাছৰ আগত তাসত্ত হৈ পৰিছে। হ'ত তাসান্তৰ হাৰত মৃত্যুহেৰ দ'ম বাঢ়িছে। দিল্লীৰ বাজেটৰ সৰ্বাধিক ১৮ শতাংশ স্বাস্থ্য নামত খৰচ কৰা আমেৰিকাই আজি মানুহৰ জীৱন ৰক্ষা কৰিব পৰা নাই। ঔষধ আৱিষ্কাৰৰ দিহা বিচাৰি পোৱা নাই। ইফালে ভাৰত কৃতীয় বিশ্বৰ দেশ। দিল্লীয় বাজেটৰ মাত্ৰ ১.১৫ শতাংশ টকা স্বাস্থ্য নামত খৰচ হোৱা আমাৰ দেশৰ প্ৰায় নিয় হাজাৰ ভাৰতীয় লোকৰ বিপৰীতে চিকিৎসালয়ত মাত্ৰ এখন বিছনাতে উপলব্ধ, আৰু বাৰ হাজাৰ লোকৰ বিৰুদ্ধে এজনহে চিকিৎসক। আনহাতে, আমাৰ ৰাজ্যত দুই লাখ লোকৰ বিপৰীতে এখনহে আই চি ইউ বিছনা উপলব্ধ। স্বাস্থ্যখাতৰ দিশটোলৈ লক্ষ্য কৰিলে এটা কথা নিশ্চিতভাৱে ওলাই পৰে যে এই মহামাৰীৰপৰা আমাক দেশৰ বৰ্তমান চিকিৎসা ব্যৱস্থাই কোনোফালেকেই ৰক্ষা কৰিব নোৱাৰে।

কৰ'নাৰ প্ৰভাৱত যোৱা দুদিনত খোৱাৰ বজাৰত ফেনেছৰ ১৩.১৫ শতাংশ নিম্নগামী হৈ ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য সৰ্বকালৰ বেকাৰ্ড ভঙ্গ কৰি ৭৬ টকা হৈছে। এতিয়া মহাদেশৰ ভিতৰতে আমাৰ দেশৰ বিকাশৰ হাৰ ভাবিব নোৱাৰাকৈ স্থলন হৈছে। এই মহামাৰীৰ সময়ত দেশৰ জৰুৰী সেৱাৰ লগত জড়িতসকলক উৎসাহ যোগাবলৈ দেশৰ প্ৰধান মন্ত্ৰীয়ে কৰা আহ্বানৰ পাছত আমাৰ দেশৰ বিয়া প্ৰায়ত লগতে অসম মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত আমি দেখিলোঁ। তাৰ পাছত বহুতেই মনত বহু নতুন প্ৰশ্নৰ উদয় হ'ল। আজিৰ প্ৰেক্ষাপটত চকু সতা এয়ে যে নিজে সজাগ নহ'লে পৰিস্থিতি চৰম পৰ্যায়লৈ গতি কৰিবলৈ বেছি সময় নালাগে। নিজৰ জীৱনৰ লৈ সজাগ আৰু সচেতন নহ'লে আমাৰ দুৰ্দশা নিশ্চিত।

লক ডাউনৰ সময়ত প্ৰশাসনৰ চকুত ধূলি দি আপুনি বা মই আগৰ দৰেই কৰ্মস্থানলৈ গৈ জুম বান্ধি কাম কৰিলে ক্ষতি প্ৰশাসনতকৈ বেছি আমাকেই হ'ব।

এই সময় জটিল সময়, এক হৈ আগবঢ়ি যোৱাৰ সময়, 'মানুহে মানুহৰ বাবে' স্লোগানক অধিক সুদৃঢ় কৰাৰ সময়।

■ জাহেদুৰ ৰহমান

ফোন : ৮৪৭৩৮-৫১১২২

কলিযুগৰ ভগৱান কলা নে কণা

ভগৱান কোন? তেওঁৰ সান্নিধ্য কেনেকৈ পাব পাৰি? মন্দিৰৰ মণিকূটত নে মানুহৰ আত্মাত? অন্তৰ আত্মা জয় কৰিব নাজানিলে ভগৱানৰ শৰণাপন্ন হোৱাৰ মূল্য ক'ত? প্ৰায় ছ'চিয়েল নেটৱৰ্কিং ছাইটত দেখিবলৈ পোৱা এটা বিষয় হ'ল ভাগৱত পাঠ বা ভাণ্ডাৰ বাবে অহায়ান বা অন্যান্য ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি। প্ৰশ্নটো হ'ল— অনৰ অসুবিধা কৰি কৰা পূজানো কোনজন ভগৱানৰ প্ৰতি উৎৰ্গা কৰা হয়, যিয়ে মানৱ শান্তি কামনা নকৰে?

আউনীআটী মঠৰ ভাণ্ডনা সমাবোহৰ সময়ত যি উচ্চ প্ৰাবল্যৰ শব্দ ব্যৱহাৰ কৈ গ'ল, সেয়া কাৰ সহায়ক হ'ল, যি শব্দই প্ৰায় ১০ কিলোমিটাৰপৰ্যন্ত সামৰি ল'লে। ভাণ্ডনা উপভোগ কৰা দৰ্শনাৰ্থীয়ে তাতকৈ কম শব্দত ভাণ্ডনা উপভোগ কৰিব নোৱাৰিলেইনেকি? উদ্যযাপন সমিতিয়ে মেট্ৰিক বা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ প্ৰাক্কালত নিকটৱৰ্তী গাঁৱৰ বা সত্ৰৰ বহাৰ শিক্ষাৰ্থীসকলৰ কথা কিয় এবাৰো চিন্তা কৰাৰ মানসিকতা গঢ় দিব নোৱাৰিলে? এয়া দুৰ্